**অসম বিধান সভা**
**তৰাবিহীন প্ৰশ্ন নং ৯৬**
**উত্তৰ দিয়াৰ তাৰিখ-০৭-০৭-২০২৬**

**বিষয় : পুষ্টিকৰ খাদ্য যোগান ধৰাৰ সন্দৰ্ভত**

**ডা: আছিফ মো: নাজাৰ, বিধায়ক**

**প্ৰশ্নঃ-**

**মাননীয় মহিলা আৰু শিশু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :**

**(ক)** বিভাগৰ অধীনত শিশু সকলৰ বাবে পুষ্টিকৰ খাদ্য যোগান ধৰাৰ কি কি আঁচনি আছে ? এই আঁচনি অনুসৰি ২০২১-২২ বিত্তীয় বৰ্ষৰ পৰা কিমান শিশুক খাদ্য যোগান ধৰা হৈছে ?

**(খ)** কোন কোন NGO বা প্ৰতিষ্ঠানক খাদ্য যোগানৰ ঠিকা প্ৰদান কৰা হৈছে আৰু তেওঁলোকৰ খাদ্য যোগান ধৰাৰ সময়সীমা কিমান ? এই প্ৰতিষ্ঠান সমূহে কি কি খাদ্য আৰু কিমান সংখ্যক শিশুক প্ৰদান কৰিছিল ? সমষ্টি ভিত্তিক তথ্য প্ৰদান কৰিব ।

**উত্তৰঃ-**

**মাননীয়া মহিলা আৰু শিশু বিকাশ বিভাগৰ মন্ত্ৰী শ্ৰীযুতা অজন্তা নেওঁগ মহোদয়াই উত্তৰ দিবঃ-**

**(ক)** মহিলা আৰু শিশু উন্নয়ণ বিভাগে শিশু সকলৰ বাবে পুষ্টিকৰ খাদ্য যোগান ধৰাৰ বাবে পৰিপুৰক পুষ্টিকৰ আঁচনি খন ৰূপায়ণ কৰি আহিছে । ওপৰোক্ত তথ্য সংশ্লিষ্ট জিলাত উপলব্ধ।

**(খ)** অনুমোদিত উৎপাদনকাৰী সংস্থা আৰু অনুমোদিত NGOঅক শিশু খাদ্য যোগান ধৰাৰ ঠিকা প্ৰদান কৰা হয়। খাদ্য যোগান ধৰাৰ সময়সীমা ৱৰ্ক অডাৰ পোৱাৰ পৰা ৬০ দিন। এই প্ৰতিষ্ঠানসমূহে Mixed Pulse based Micronutrient Fortified Energy Dense Food, Fortified Rice, দালি, মটৰ আদি খাদ্য সামগ্ৰী হিতাধীকাৰী সকলক যোগান ধৰে। হিতাধীকাৰীৰ তালিকা সংশ্লিষ্ট জিলাত উপলব্ধ।

(ওপৰোক্ত উত্তৰৰ প্ৰতিলিপি বিধান সভাৰ ৱেবচাইট https://cms.neva.gov.in ত আপলোড কৰা হ'ল)।

***************